# কৈলাশ মানসৰোবৰৰ যাত্ৰাৰ বাবে যাত্ৰীৰ বাছনি ।

এপ্ৰিল ৩০,২০১৪

বিদেশ সচিব সুজাতা সিঙে ৩০ এপ্ৰিল ২০১৪ তাৰিখে কম্পিউতাৰৰ জৰিয়তে অনুষ্ঠিত কৈলাশ মানসৰোবৰ যাত্ৰা -২০১৪ ৰ বাবে যাত্ৰীৰ বাছনি প্ৰক্ৰিয়াৰ অধ্যক্ষতা কৰে ।এই যাত্ৰা প্ৰতি বছৰে কেন্দ্ৰীয় বিদেশ পৰিক্ৰমা মন্ত্ৰনালয়ে আয়োজিত কৰি আহিছে । এই বছৰত কৈলাশ মানসৰোবৰ যাত্ৰাৰ বাবে ১০৮০ ত অধিক সংখ্যক যাত্ৰী থাকিব । জুন আৰু চেপ্তেম্বৰ মাহৰ ভিতৰত আৰম্ভ হব লগীয়া যাত্ৰাৰ অৰ্থে প্ৰতিটো দলত সমানে ৬০ জনকৈ যাত্ৰীক ভাগ কৰি লৈ ১৮ টা দল গঠন কৰা হৈছে ।প্ৰতিটো দলে ২২ দিনৰ ভিতৰত তেওঁলোকৰ যাত্ৰা সমাপ্ত কৰিব । তাৰেপৰি যাত্ৰী সকলে ৩ দিন দিল্লীত থাকি যাত্ৰা সম্পৰ্কীয় কেতবোৰ আনুষ্ঠানিকতা সম্পূৰ্ণ কৰিব ।জুনৰ ১২ তাৰিখে আৰম্ভ হোৱা যাত্ৰা – ২০১৪ ,৯ চেপ্তেম্বৰ তাৰিখে দিল্লীলৈ যাত্ৰীৰ শেষ দলটো উভতি অহাৰ পাছত অন্ত পৰিব ।

ভাৰত চৰকাৰে ১৯৮১ চনৰ পৰাই চীন জনসাধাৰনৰ গনন্ত্ৰত চৰকাৰৰ সৈতে এক নিকটতম সহযোগিতাৰ যোগেদি এই যাত্ৰা পৰিচালনা কৰি আহিছে ।দুয়োখন দেশৰ মাজত এই যাত্ৰাৰ পৰিচালনা কৰাৰ বাবে দ্বিপাক্ষীক বন্দবস্তৰ কৰা হৈছে । কম্পিউতাৰৰ দ্বাৰা যাত্ৰী বাছনি প্ৰক্ৰিয়াৰ অন্তত বিদেশ সচিব গৰাকীয়ে সাংবাদিকক সম্বোধি মন্তব্য কৰে যে এই যাত্ৰা ভাৰত আৰু চীনৰ মাজৰ সহযোগিতাৰ প্ৰতীক আৰু দুয়োখন দেশৰ মাজত ব্যক্তিৰ পৰা ব্যক্তিৰ সম্বন্ধক অধিক গভীৰ কৰাৰ বাবে অৱদান যোগাইছে ।

এই যাত্ৰা উত্তৰাখণ্ড মাজেৰে লাইপুলেখ পাচ হৈ তিৰ্ব্বত স্বায়ত্বশাসিত অঞ্চলত প্ৰবেশ কৰিব ।যাত্ৰা কালত যাত্ৰী সকলে বিভিন্ন পাৰ্য্যটন ক্ষেত্ৰ আৰু ধাৰ্মিক মুল্য থকা স্থল সমুহৰ মাজেৰে আগবাঢ়িব ।

ভাৰতৰ ফালে লাইপুলেক পাচলৈকে আন বহুতৰ লগতে ভাৰত চৰকাৰে চিকিৎসা সাহার্য্য,সুৰক্ষা আৰু সহায়কাৰীৰ(escort)বেষ্টনি যাত্ৰী সকলৰ সুৰক্ষাৰ অৰ্থে যোগান ধৰিব আৰু প্ৰতিটো দলৰ বাবে যাত্ৰা কালত জৰুৰীকালিন অৱস্থাত ব্যৱহাৰৰ বাবে এটাকৈ চেটেলাইট ফোনৰ ব্যৱস্থা কৰা হৈছে ।প্ৰতিটো যাত্ৰীৰ দলত একোগৰাকী কৈ ভাৰত চৰকাৰৰ সৈতে সংযুক্ত জনসম্পৰ্ককাৰি বিষয়াক যাত্ৰী সকলৰ সেৱাৰবাবে নিযুক্তি দিয়া হৈছে ।

নতুন দিল্লী

এপ্ৰিল ৩০,২০১৪